*E-Āntarikī*, Vol-I, Issue-1, March 2026 ISSN: 3139-7573 (Online)

# ‘লোক’ অৱধাৰণা আৰু লোকসংস্কৃতিৰ তত্ত্বগত স্বৰূপ বিশ্লেষণ

**দীপশিখা গগৈ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
Email: deepsigogoi@gmail.com

**সংক্ষিপ্তসাৰ**

মানৱ সমাজৰ ইতিহাসত লোকসংস্কৃতি বিষয়টো এনে এক অপৰিহাৰ্য অংগ, যাৰ অবিহনে মানৱ সভ্যতাৰ ক্ৰমবিকাশ যাত্ৰাৰ আলোচনা আধৰুৱা হৈ ৰয়। বিজ্ঞান-প্ৰযুক্তিবিদ্যাই মানৱ সভ্যতাক অগ্ৰগতি যেনেধৰণেৰেই নিদিয়ক লাগে, সেই অগ্ৰগতিৰ প্ৰতিটো খোজত লোকসংস্কৃতিৰ সমলৰ সংযোগ ঘটিলেহে সংস্কাৰ সাধন আৰু জীৱন যাত্ৰা সহজ আৰু সুচল ৰূপত গঢ়ি উঠাত সহায়ক হয়। লোকসংস্কৃতি যেন অকৃত্ৰিম সুবাসিত বনৰীয়া ফুল সদৃশ, যি লোকসমাজ আৰু লোকজীৱনৰ ছত্ৰ-ছায়াত লালিত-পালিত হৈ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সেই সুবাস প্ৰবাহিত কৰি ৰাখে। ই লোকজীৱনক গতি দিয়ে, অতীতৰ সৈতে বৰ্তমানৰ সংযোগ সাধন কৰি ঐক্যসূত্ৰ গঢ়ে, মানৱীয় মহত্ত্বক বুজাৰ অৱকাশ আনি দিয়ে। এই গৱেষণা পত্ৰত লোকসংস্কৃতিৰ তাত্ত্বিক দৃষ্টিকোণেৰে ‘লোক’ শব্দৰ বিস্তাৰিত অৰ্থৰ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে। লগতে লোকসংস্কৃতিৰ সংজ্ঞা নিৰ্ণয় আৰু বিজ্ঞানসন্মত স্বৰূপ ব্যাখ্যা কৰাও এই গৱেষণা পত্ৰৰ মূল উদ্দেশ্য। বিশ্লেষণাত্মক অধ্যয়ন পদ্ধতিৰ সহায়েৰে আলোচ্য বিষয়টো বিচাৰ কৰি চাবলৈ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দঃ** লোক, লোকসংস্কৃতি, Folklore, Elite, লোকসমাজ**।**